# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ৩৭৩/২০২০**

**মাজুলী জিলাৰ আঁহতগুৰি আৰু দক্ষিণ আঁহতগুৰি গাঁও পঞ্চায়তত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ অনুমোদন পত্ৰ বিতৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

## বানপানীৰ সময়ত অনাময় ব্যৱস্থা সংলগ্ন আশ্ৰয় কেন্দ্ৰ তথা সামূহিক ভৱন নিৰ্মাণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২১ মে'ঃ** বানপানীৰ সময়ত অনাময় ব্যৱস্থা সংলগ্ন আশ্ৰয় কেন্দ্ৰ তথা সামূহিক ভৱন নিৰ্মাণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। বানপানীৰ সময়ছোৱাত বানপ্লাৱিত এলেকাৰ জনসাধাৰণে যাতে নিৰাপদে আশ্ৰয় গ্ৰহণ কৰি স্বাস্থ্যসন্মত জীৱনযাপন কৰিব পাৰে সেই দিশত ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে। ক'ভিড-১৯ ৰ সমান্তৰালভাৱে বানপানীৰ সময়ত ল'বলগীয়া ব্যৱস্থাৰাজিৰ কাম ত্বৰান্বিত কৰাৰ বাবেও ৰাজ্য চৰকাৰে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে। মাজুলীৰ বানপানী প্ৰৱণ আঁহতগুৰি অঞ্চলত সামাজিক দূৰত্ব বজাই ৰাখি আজি আয়োজন কৰা এক অনুষ্ঠানত অনাময় ব্যৱস্থা সংলগ্ন আশ্ৰয়কেন্দ্ৰ তথা সামূহিক ভৱনৰ অনুমোদন পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে।

উল্লেখ্য যে ২০১৯-২০ বৰ্ষত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ জৰিয়তে আঁহতগুৰি গাঁও পঞ্চায়তত ১৫ খন আৰু দক্ষিণ আঁহতগুৰি গাঁও পঞ্চায়তত ৭ খন চাপৰিক অনাময় ব্যৱস্থা সংলগ্ন আশ্ৰয় কেন্দ্ৰ তথা সামূহিক ভৱন নিৰ্মাণৰ আঁচনিৰ দ্বাৰা সামৰি লোৱা হ'ব। মুখ্যমন্ত্ৰীৰ সাহায্য পুজিৰ অধীনত প্ৰতিটোৰে বাবে ১০.৭৭ লাখ টকাকৈ ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া এই ২২ টা আশ্ৰয় কেন্দ্ৰ তথা সামূহিক ভৱন নিৰ্মাণত মুঠ ২.৩৬৯৪ কোটি টকা ব্যয় কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে ৯.৯৭ লাখ টকাকৈ ব্যয় সাপেক্ষে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ অধীনত আঁহতগুৰি গাঁও পঞ্চায়তৰ প্ৰগতি মধ্য ইংৰাজী বিদ্যালয় আৰু ২ নং চেঙেলিসুঁতি প্ৰাথমিক বিদ্যালয়ৰ গৃহৰ মেৰামতিৰ বাবে অনুমোদন পত্ৰ প্ৰদান কৰাৰ লগতে আঁহতগুৰিৰে বৰুৱাচুক নামঘৰৰ নিৰ্মাণৰ বাবেও 'আনটাইড ফাণ্ড'ৰ অধীনত ৩.৭৫ লাখ টকাৰ অনুদান আগবঢ়ায়।

মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ ২২০০ খন পঞ্চায়তৰ ভিতৰত আহতগুৰি আৰু দক্ষিণ আহতগুৰি গাঁও পঞ্চায়ত আটাইতকৈ পিছপৰা। বানপানী আৰু গৰাখহনীয়াৰ বিৰুদ্ধে এই দুয়োখন পঞ্চায়তৰ জনসাধাৰণে যুঁজ দি আহিছে। ৰাজ্য চৰকাৰে বানপানীৰ সময়ছোৱাত দুৰ্গত লোকসকলক সকাহ দিয়াৰ বাবেই এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে বিশ্বৰ মানৱ সমাজে ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজ দিব লগা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ বাবে লক্‌ডাউনৰ জৰিয়তে প্ৰয়াস চলাই আহিছে। অসমৰ জনসাধাৰণেও প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰিৰ জনাই নিষ্ঠাৰে লক্‌ডাউন পালন কৰিছে। মাজুলীবাসী ৰাইজেও এই যুঁজত অংশগ্ৰহণ কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ ৰ সংক্ৰমণ বৃদ্ধি পাইছে যদিও জনসাধাৰণে চিন্তা কৰিব নালাগে। মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগে দিয়া নীতি-নিৰ্দেশাৱলী মানি চলিবলৈ জনসাধাৰণক আহ্বান জনায়। মাইক্ৰ' ফাইনেন্সৰ বিষয়ে সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে এই বিষয়সমূহ ৰাজ্য চৰকাৰে বিবেচনা কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০ লাখ কোটি টকাৰ যি আৰ্থিক পেকেজৰ কথা ঘোষণা কৰিছে তাৰ সুফল যাতে অসমৰ জনসাধাৰণেও লাভ কৰিব পাৰে সেই বিষয়ত ইতিমধ্যে দৃঢ়তাৰে পদক্ষেপ আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যিক পৰ্যায়ৰ বেংকাৰ সমিতিৰ সৈতেও ৰাজ্য চৰকাৰে ইতিমধ্যে আলোচনা কৰিছে।

আজিৰ এই অনুদান বিতৰণী অনুষ্ঠানত সাংসদদ্বয় কামাখ্যা প্ৰসাদ তাছা আৰু প্ৰদান বৰুৱা, বিধায়কসকল ক্ৰমে মৃণাল শইকীয়া, বিমল বৰা, ভবেন ভৰালী, মাজুলী জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

**পুঃডেঃ**
**২১/৫/২০২০**